
ভাষাৰ অধ্যয়নৰ দ্বিতীয়টো স্তৰ হৈছে ৰূপতত্ত্ব। ধ্বনিতত্ত্বৰ মূল আধাৰ যিদৰে ধ্বনি সেইদৰে ৰূপতত্ত্বৰ মূল আধাৰ ৰূপ বা প্ৰাকৃতি। ৰূপতত্ত্বত ভাষাৰ ৰূপ বা প্ৰাকৃতিৰ অন্তৰ্গত প্ৰকৃতি, সৰ্গ; অৰ্থাৎ শব্দমূল, ধাতুমূল, প্ৰত্যয়, বিভক্তি আদিৰ পুংখানুপুংখ বিশ্লেষণ কৰা হয়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাৰ বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয়, ক্ৰিয়া আদি শব্দ, বিভিন্ন প্ৰকাৰৰ প্ৰত্যয়, শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি, পুৰুষ, বচন, কাল আদিৰ বিশ্লেষণ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ বিষয়। ৰূপতত্ত্বত সাধাৰণতে দুটা দিশৰ ওপৰত অধ্যয়ন কৰা হয়। এটা হ'ল — শব্দ গঠনৰ প্ৰত্যয় আৰু আনটো পদ গঠনৰ বিভক্তি।

ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক হৈছে — প্ৰাকৃতি বা ৰূপ। এই প্ৰাকৃতিৰ পৰা প্ৰাতিপাদিক, ধাতু, শব্দ আৰু এইবোৰৰ সাধন বা ৰূপ আদি নিষ্পন্ন কৰা হয়। প্ৰাকৃতি বৰ্ণৰ ওপৰৰ স্তৰৰ একক বিশেষ। এটা বা একাধিক বৰ্ণেৰে প্ৰাকৃতি ৰচিত হয়। প্ৰাকৃতিৰ সদায় একোটা নিজস্ব অৰ্থ থাকে। অৰ্থাৎ বৰ্ণৰে নিৰ্মিত অবিভাজ্য অৰ্থাৎ ক্ষুদ্ৰতম অৰ্থযুক্ত ৰূপেই হৈছে প্ৰাকৃতি। উদাহৰণস্বৰূপে— 'মোমায়েকহঁতলৈ' এই পদটোৰ অৰ্থ পৰীক্ষা কৰিলে দেখা যায় যে কাৰোবাৰ লগত সম্বন্ধ থকা (নাম-পুৰুষবাচকত্ব - এক), মাকৰ ভায়েক বা ককায়েক (পুংলিংগবাচক), মোমায়েক এজন নহয় একাধিক অথবা মোমায়েকৰ লগৰ বা পৰিয়ালৰ একাধিক ব্যক্তি (বহুবচন বাচকত্ব - হঁত) আৰু এই লোক সকলকলৈ (নিমিত্তাৰ্থক - লৈ) — এই পাঁচোটা অৰ্থ সোমাই আছে। আৰু উক্ত পাঁচোটা অৰ্থৰ লগত সঙ্গতি ৰাখি পদটোক মোমাই - এক্ - হঁত্ - অলৈ — মাত্ৰ এই চাৰিটা খণ্ডত ভগাব পাৰি। সেয়ে, এই চাৰিটা খণ্ডৰ প্ৰত্যেকটোৱে একোটাহঁত প্ৰাকৃতি। প্ৰাকৃতিসমূহৰ কিছুমানক স্বতন্ত্ৰভাৱে মাতিলে বা উল্লেখ কৰিলে সেইবোৰৰ স্বতন্ত্ৰ অৰ্থ বুজি পোৱা যায়; যেনে — মানুহ, ঘৰ, গছ, ভাত আদি। এনেদৰে নিজে অৰ্থ প্ৰকাশ কৰিব পৰা ৰূপবোৰক মুক্ত প্ৰাকৃতি বা ৰূপ বোলে। আকৌ কিছুমান প্ৰাকৃতি অকলে উল্লেখ কৰিলে সিহঁতৰ একো অৰ্থ পোৱা নাযায়। দুটা বা ততোধিক প্ৰাকৃতি সংযুক্ত হ'লেহে তাৰ অৰ্থ বুজি পোৱা যায় এনে প্ৰাকৃতিক বদ্ধ বা যুক্ত প্ৰাকৃতি বা ৰূপ বোলে। যেনে— 'খাওঁ' পদৰ খা প্ৰাকৃতিটোৰ স্বকীয় অৰ্থ আছে, সেয়ে ই মুক্ত প্ৰাকৃতি; কিন্তু ইয়াৰ লগত লগা -ওঁ প্ৰাকৃতিটোৱে 'মই' বা 'আমি' অৰ্থ যে প্ৰকাশ কৰে, সেয়া ধৰিব নোৱাৰি; ধাতুটোৰ লগত যুক্ত হ'লেহে ধৰিব পাৰি। গতিকে -ওঁ এটা বদ্ধ প্ৰাকৃতি।

প্ৰাকৃতিৰ শ্ৰেণীবিভাগ তলত দিয়া ধৰণে কৰিব পাৰি—

চিত্ৰ ৪.৪ ঃ প্ৰাকৃতিৰ শ্ৰেণীবিভাজন




প্ৰাকৃতিক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হয়, যথা— প্ৰকৃতি, মূলাভাস প্ৰাকৃতি, সৰ্গ।

- **প্ৰকৃতি ঃ** সকলো ভাষাতে এনে কেতবোৰ প্ৰাকৃতি থাকে যিবোৰক কেন্দ্ৰ কৰি নানান প্ৰাকৃতি সংযুক্ত হৈ ভিন ভিন অৰ্থবাচক ৰূপৰ সৃষ্টি হ'ব পাৰে এনেবোৰ প্ৰাকৃতিক প্ৰকৃতি বোলে। প্ৰকৃতিবোৰেই ভাষাৰ সকলো শব্দ বা পদৰ আধাৰ স্বৰূপ। উদাহৰণস্বৰূপে, পূৰ্বোল্লিখিত 'মোমায়েকহঁতলৈ' পদটোৰ মোমই - এক্ - হঁত - অলৈ — এই চাৰিটা প্ৰাকৃতিৰ ভিতৰত 'মোমাই' প্ৰাকৃতিটোৰেই পদটোৰ আধাৰ। কাৰণ ইয়াৰ অবিহনে বাকী চাৰিওটা প্ৰাকৃতি লগ-লাগিলেও বাক্যত প্ৰয়োগ কৰিব পৰা কোনো ৰূপৰ সৃষ্টি হ'ব নোৱাৰে।

  প্ৰকৃতিসমূহক ৰূপগত বৈশিষ্ট্যৰ বিচাৰ অনুসৰি বিভিন্ন ভাষাত বিভিন্ন প্ৰকাৰে শ্ৰেণীবিভাগ কৰা হয়। অসমীয়া ভাষাত প্ৰকৃতিক চাৰিভাগত ভাগ কৰা হৈছে। যথা— প্ৰাতিপাদিক বা নাম প্ৰকৃতি, ধাতু প্ৰকৃতি, নাম-ধাতু প্ৰকৃতি, অব্যয় প্ৰকৃতি।

  - *প্ৰাতিপাদিক বা নাম প্ৰকৃতি ঃ* যিবোৰ প্ৰকৃতিৰ পৰা কেৱল নামশব্দ বা নামপদহে তৈয়াৰ হয়। সেইবোৰেই নাম প্ৰকৃতি। যেনে— মানুহ, পশু, গছ, লতা, ৰাম আদি।
  - *ধাতু প্ৰকৃতি ঃ* যিবোৰ প্ৰকৃতিৰ পৰা কেৱল ধাতু শব্দ, ক্ৰিয়াপদ আৰু কৃদন্ত ৰূপহে তৈয়াৰ হয়, সেইবোৰক ধাতু প্ৰকৃতি বোলে। যেনে - কৰ্, পঢ়্, খা, দি, হ আদি।
  - *নাম-ধাতু প্ৰকৃতি ঃ* যিবোৰ প্ৰকৃতিৰ পৰা নামশব্দ আৰু নামপদ নাইবা ধাতুশব্দ, ক্ৰিয়াপদ আৰু কৃদন্তৰূপ পাব পাৰি তেনেবোৰ প্ৰাকৃতিকে নামধাতু প্ৰকৃতি বোলে। উদাহৰণস্বৰূপে— চিন্, মান্ আদি প্ৰকৃতি কেইটাক নাম শব্দৰূপে কাৰক অনুযায়ীও ৰূপ কৰিব পাৰি আৰু ধাতুশব্দৰূপে ক্ৰিয়া-বিভক্তি লগলগাই পুৰুষ অনুযায়ীও ৰূপ কৰিব পাৰি; যেনে— জ্ঞানীজনে য'তে ত'তে মান পায়; গুৰুজনৰ কথা মানিবা।
  - *অব্যয় প্ৰকৃতি ঃ* যিবোৰ প্ৰকৃতি কোনো ৰূপ নহয়; অৰ্থাৎ, যিবোৰ প্ৰকৃতিৰ কাৰক বিভক্তি বা ধাতুৰূপৰ বিভক্তি লগ নালাগে সেইবোৰকে অব্যয় প্ৰকৃতিৰ ভিতৰত ধৰা হয়। যেনে— তথাপি, অথচ, খটাং আদি।

- **মূলাভাস প্ৰাকৃতি ঃ** মূল বা প্ৰকৃতি আৰু সৰ্গৰ মাজতে অসমীয়া ভাষাত মূলাভাস প্ৰাকৃতি